এভিএফইউ ই-পত্রিকা

অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়

website: www.avfu.ac.in

সম্প্রসাৰণ শিক্ষা সঞ্চালকালয়ৰ
দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত

১ম সংখ্যা | এপ্ৰিল-আগষ্ট, ২০২৬ | ২৭ ছেপ্তেম্বৰ

অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ পৰিচালনা পৰিষদ আৰু বিদ্যায়তনিক পৰিষদৰ প্ৰথম সভা

অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয় (AVFU)ৰ প্ৰথম পৰিচালনা পৰিষদ (Board of Management) আৰু বিদ্যায়তনিক পৰিষদ (Academic Council)ৰ সভা বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্যালয়, খানাপাৰাত উপাচাৰ্য অধ্যাপক ড° নিৰঞ্জন কলিতাৰ সভাপতিত্বত ক্ৰমে ২২ জুলাই আৰু ২৩ এপ্ৰিলত অনুষ্ঠিত হয়।

দুয়োখন পৰিষদৰ সন্মানীয় সদস্যসকলে বিশ্ববিদ্যালয়খনক সামগ্ৰিকভাৱে আগুৱাই নিয়াৰ ক্ষেত্ৰত জড়িত সকলো পক্ষই কৰা সহযোগিতাৰ শলাগ লয়। লগতে সমাজৰ সামগ্ৰিক কল্যাণৰ বাবে শৈক্ষিক উৎকৰ্ষ, গৱেষণা, উদ্ভাৱন আৰু সম্প্রসাৰণমূলক কাৰ্যকলাপ অধিক শক্তিশালী কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰে।





অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয় (AVFU) ৰ দ্বাৰা উজনিৰ বানপীড়িতলৈ সহায়

অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ে (AVFU) তিনিওখন মহাবিদ্যালয়, দুটি গৱেষণা কেন্দ্ৰ আৰু সঞ্চালকালয় সমূহত কৰ্মৰত শিক্ষক কৰ্মচাৰীৰ এদিনৰ দৰমহা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ দান কৰে। বিশ্ববিদ্যালয়খনৰ হৈ মাননীয় উপাচাৰ্য, পঞ্জীয়ক, শিক্ষক আৰু কৰ্মচাৰী সন্থাৰ প্ৰতিনিধিসকলে ১২



আগষ্ট তাৰিখে দিছপুৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰীক বৰঙণিৰ এখনি চেক প্ৰদান কৰে। ইয়াৰ উপৰিও বিশ্ববিদ্যালয়ৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলে খনাপাৰা, ৰহা আৰু উত্তৰ লক্ষীমপুৰত অৱস্থিত তিনিওটা চৌহদৰ পৰা যোৰহাট আৰু শিৱসাগৰ জিলাৰ বাবে বান সাহায্যও প্ৰদান কৰে।

লক্ষীমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ে Assam Vets, World Animal care, Gramin Vikas Trust, উত্তৰ লক্ষীমপুৰত অৱস্থিত AAU ৰ অধীনৰ ZRS, KM Vets, Arunachal Vets, Urban Pets, ড° সিদ্ধাৰ্থ ফাউণ্ডেচন আৰু





আন কেইগৰাকীমান ব্যক্তিৰ সহযোগত ৩১ জুলাইৰ পৰা ২ আগষ্ট, ২০২৬ লৈ শিৱসাগৰ জিলাৰ বিভিন্ন বানাক্ৰান্ত গাঁৱত বান সাহায্য শিবিৰৰ আয়োজন কৰিছিল। ৩ পৃষ্ঠাত

পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস

অসমৰ শেহতীয়া বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি, কোনো সাংস্কৃতিক অনুষ্ঠান অবিহনে অনুষ্ঠুপীয়াকৈ খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ ৭৯ সংখ্যক প্ৰতিষ্ঠা দিৱস ১৮ আগষ্টত উদযাপন কৰা হয়। ১৯৪৮ চনৰ নগাঁৱত অসম পশু চিকিৎসা মহাবিদ্যালয় নামেৰে এই অনুষ্ঠান ভূমিষ্ঠ হৈছিল। বিজ্ঞান গুৰু ড° বিবেকানন্দ শইকীয়াই প্ৰতিষ্ঠা দিৱসৰ দিনযোৰা অনুষ্ঠান ৰাতিপুৱা মহাবিদ্যালয়ৰ পতাকা উত্তোলনেৰে



আৰম্ভণি কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ শৃংখলাবদ্ধ পেৰেডে সকলোকে মোহিত কৰে। বিজ্ঞানগুৰুৰ আদৰণি ভাষণেৰে ৰাতিপুৱা ১০ বজাৰ পৰা মুকলি সভা অনুষ্ঠিত হয়। ২ পৃষ্ঠাত

পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ত মাননীয় ৰাজ্যপাল আৰু ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ শিক্ষা উপ-মহা সঞ্চালক

শক্তিশালী স্বাস্থ্য, খাদ্য সুৰক্ষা, অৰ্থনৈতিক উন্নয়ন আৰু বহনক্ষম বিকাশৰ বাবে পশু চিকিৎসা আৰু পশুপালনৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ আচাৰ্য তথা ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ২৯



জুলাই, ২০২৬ তাৰিখে বিশ্ববিদ্যালয় মুখ্য চৌহদত 'বিকশিত ভাৰতৰ বাবে উত্তৰ-পূব পশুধন স্বাস্থ্য সুৰক্ষা' শীৰ্ষক এক আঞ্চলিক সন্মিলন উদ্বোধন কৰে। উত্তৰ-পূব অঞ্চলত পশুধনৰ স্বাস্থ্য সুৰক্ষা ব্যৱস্থা শক্তিশালী কৰাৰ লক্ষ্যৰে পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ উদ্যোগত এই সন্মিলন আয়োজিত হৈছিল ।

শ্ৰীযুত আচাৰ্যই কয় যে পশুধন ভাৰতৰ গ্ৰাম্য অৰ্থনীতি, সংস্কৃতি আৰু ঐতিহ্যৰ এক মূল ভেটি ৰূপে স্বীকৃত হৈ আহিছে। সুস্থ পশুধন, সমৃদ্ধিশালী কৃষক, পৰিৱেশৰ বহনক্ষমতা আৰু কৃষিখণ্ডত বৈজ্ঞানিক প্ৰগতিৰ জৰিয়তেহে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ লক্ষ্য বাস্তৱায়িত কৰিব পৰা যাব বুলি উল্লেখ কৰে। উত্তৰ-পূবৰ চহকী জৈৱ-বৈচিত্ৰ্য আৰু প্ৰাকৃতিক সম্পদৰ কথা উল্লেখ কৰি তেখেতে কয় যে আধুনিক বিজ্ঞানৰ সৈতে পৰম্পৰাগত জ্ঞানৰ সংমিশ্ৰণ ঘটাই পশুধনৰ বিকাশৰ ক্ষেত্ৰত এই অঞ্চলটো সমগ্ৰ দেশৰ ভিতৰতে এক আদৰ্শ হিচাপে গঢ়ি উঠাৰ সম্ভাৱনা আছে।

'এক স্বাস্থ্য' (One Health) অভিযানৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাজ্যপালগৰাকীয়ে কয় যে পশুধনৰ স্বাস্থ্য মানুহৰ স্বাস্থ্য, খাদ্য সুৰক্ষা, পৰিৱেশ সুৰক্ষা আৰু অৰ্থনৈতিক বিকাশৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। পশুধনৰ স্বাস্থ্য সুৰক্ষিত কৰাটো সুৰক্ষিত খাদ্য উৎপাদন, কৃষকৰ অধিক আয় আৰু এক স্বাস্থ্যকৰ সমাজ গঠনৰ বাবে অপৰিহাৰ্য। আচাৰ্যই লগতে উল্লেখ কৰে যে ৰাজভৱনে ইয়াৰ পূৰ্বেও দুগ্ধ আৰু মীন পালন খণ্ডৰ বিকাশৰ বাবে সন্মিলন আহ্বান কৰিছিল আৰু কৃষক তথা পশুপালকসকলৰ লাভৰ বাবে সেইবোৰৰ পৰামৰ্শসমূহ কাৰ্যকৰী কৰাৰ প্ৰচেষ্টা চলি আছে।

সন্মিলনত ৰাজ্যপালগৰাকীয়ে উত্তৰ-পূব অঞ্চলত পশুপালনৰ ৰোগ ব্যৱস্থাপনা আৰু দ্ৰুত ৰোগ ধৰা পেলোৱাৰ বাবে প্ৰস্তুত কৰা দুটা চষ্টৰেৰ এপ্লিকেচন— 'NERLDF' আৰু 'PDDES' মুকলি কৰে। ৩ পৃষ্ঠাত

অসমত আইভিএফ প্ৰযুক্তিৰ সফল ৰূপায়ণ

অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয় (AVFU) ৰ অধীনৰ খানাপাৰাস্থিত পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ বিজ্ঞানীৰ এটা দলে আইভিএফ (IVF) প্ৰযুক্তিৰ দ্বাৰা অসমৰ থলুৱা গৰুৰ প্ৰজাতি 'লখিমী'ৰ প্ৰথমজনী মাইকী পোৱালী উৎপাদন কৰি এক ঐতিহাসিক সফলতা অৰ্জন কৰে। ইয়াৰ পূৰ্বে উক্ত বিজ্ঞানীসকলৰ প্ৰচেষ্টাত এই প্ৰক্ৰিয়াৰ দ্বাৰা আমাৰ ৰাজ্যৰ



প্ৰথমজনী বৰ্ণশংকৰ গৰু পোৱালি "নবমী"ৰ চলিত বৰ্ষৰ মাৰ্চ মাহত জন্ম লাভ হৈছিল। তদুপৰি, উন্নত ভ্ৰূণ স্থানান্তৰ প্ৰযুক্তি (Advanced Embryo Transfer Technology) ব্যৱহাৰ কৰি গীৰ আৰু লখিমীৰ বৰ্ণসংকৰ পোৱালী এপ্ৰিল মাহত, আৰু তিনি নম্বৰ গীৰ পোৱালিটো মে' মাহত, জন্ম লাভ কৰে। ইয়াৰ পিছৰ পৰ্যায়ত পশুপালকৰ গোহালিত এই প্ৰযুক্তিৰ দ্বাৰা বেলেগ বেলেগ জাতৰ কেইবাটাও পোৱালীৰ জন্ম দিওৱা হয়। এই সাফল্যই পশু



চিকিৎসা ক্ষেত্ৰত জৈৱ- প্ৰযুক্তি (Biotechnology) প্ৰয়োগৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি ৰুপে চিহ্নিত হৈছে আৰু অসমৰ থলুৱা গৰুৰ প্ৰজাতিসমূহৰ সংৰক্ষণ, প্ৰসাৰ তথা আনুবংশিক উন্নয়নৰ বাবে নতুন সম্ভাৱনা মুকলি কৰিছে।

ইন-ভিট্ৰ' ফাৰ্টিলাইজেচন (IVF) প্ৰযুক্তিৰ এই যুগান্তকাৰী সাফল্যই আমাৰ পশুধন আৰু দুগ্ধ খণ্ডৰ বাবে নতুন দুৱাৰ মুকলি কৰিছে— য'ত থলুৱা প্ৰজাতিৰ সংৰক্ষণ আৰু ৰোগ প্ৰতিৰোধ ক্ষমতা উন্নত কৰাৰ পৰা আৰম্ভ কৰি ২ পৃষ্ঠাত

লক্ষীমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ত ১৫ দিনীয়া ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচী

অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ অন্তৰ্গত উত্তৰ লক্ষীমপুৰস্থিত লক্ষীমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ত উত্তৰ লক্ষীমপুৰৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ১৪ জুলাইৰ পৰা ৩১ জুলাই ২০২৬ লৈ ১৫ দিনীয়া (১২০ ঘণ্টীয়া) ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচী সফলতাৰে অনুষ্ঠিত কৰা হয়।

১৪ জুলাই ২০২৬ তাৰিখে অনুষ্ঠিত উদ্বোধনী অনুষ্ঠানত লক্ষীমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ সহযোগী বিজ্ঞান গুৰু ড° সৌৰভ কুমাৰ লস্কৰ আৰু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ প্ৰাণীবিজ্ঞান বিভাগৰ মুৰব্বী শ্ৰী মনোজ নেওগ উপস্থিত থাকে। অনুষ্ঠানটোত লক্ষীমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় আৰু লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলো উপস্থিত থাকে। ২ পৃষ্ঠাত

জাগাৰা আদৰ্শ (মডেল) গাঁৱত পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ কাৰ্যসূচী

জাগাৰা গাঁৱত ভাৰত বিকাশ পৰিষদ, অসম প্ৰান্তৰ উদ্যোগত, অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয় (AVFU), অসম কৃষি বিশ্ববিদ্যালয় (AAU) আৰু SPREAD NE নামৰ এটা বেচৰকাৰী সংস্থাৰ সহযোগত, অসমৰ মাননীয় ৰাজ্যপালৰ দ্বাৰা ২৬ মে', ২০২৬ তাৰিখে আদৰ্শ (মডেল) গাঁও কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। উক্ত কাৰ্যসূচীৰ দিনা পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ খানাপাৰাস্থিত সৰ্বভাৰতীয় সমন্বিত কুকুৰা গৱেষণা প্ৰকল্পৰ ফালৰ পৰা স্থানীয় পশুপালক সকলৰ মাজত ৪০০০ তকৈ অধিক "কামৰূপা" মুৰ্গীৰ পোৱালী বিতৰণ কৰা হয়।

আদৰ্শ গাঁওৰ কাৰ্যসূচীৰ অংশ হিচাপে, অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয় (AVFU)-ৰ অন্তৰ্গত মীন বিজ্ঞান মহাবিদ্যালয়ে ৪ আগষ্ট, ২০২৬ তাৰিখে নলবাৰী জিলাৰ জাগাৰা গাঁৱৰ মীন পালক সকলৰ পুখুৰীত ভাৰতীয় কাৰ্প (Common Indian Carps)-প্ৰজাতিৰ মাছৰ পোনাও মুকলি কৰে। এই পদক্ষেপৰ মূল উদ্দেশ্য হৈছে গাঁওখনত বৈজ্ঞানিক পদ্ধতিৰে মীন পালনক উৎসাহিত কৰা, সফলভাৱে মীন পালন কৰি ইয়াৰ আৰ্হি ওচৰ-চুবুৰীয়া অঞ্চলসমূহলৈ সম্প্ৰসাৰণ কৰা আৰু তাৰ জৰিয়তে পুষ্টিগত সুৰক্ষা শক্তিশালী কৰাৰ লগতে জীৱিকাৰ মানদণ্ড উন্নত কৰা।

এই পোনা মুকলি কাৰ্যসূচীয়ে আদৰ্শ গাঁও কাৰ্যসূচীৰ আন এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে পৰিগণিত হৈছে। ইয়াৰ জৰিয়তে ভাৰত বিকাশ পৰিষদ, অসম প্ৰান্তৰ সহযোগত অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ে এক সমন্বিত দৃষ্টিভংগীৰে আত্মনিৰ্ভৰশীল, বহনক্ষম আৰু সমৃদ্ধিশালী গ্ৰাম্য সমাজ গঢ়ি তোলাৰ ক্ষেত্ৰত নিৰবিচ্ছিন্ন ভাবে আগবাঢ়ি যোৱাৰ প্ৰতিশ্ৰুতি আৰু প্ৰচেষ্টাৰ পুনৰ প্ৰতিফলন ঘটিছে।

১ পৃষ্ঠাৰ পৰা...

লক্ষীমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ত...

বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সহযোগিতামূলক প্ৰচেষ্টাৰ ফলত ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচী সফলতাৰে ৰূপায়ণ কৰা সম্ভৱ হয়। লক্ষীমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক শৈক্ষিক তথা ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদানত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়ায়। এই ধৰণৰ কাৰ্যসূচীয়ে ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বিকাশত যথেষ্ট সহায় কৰে।



১ পৃষ্ঠাৰ পৰা...

পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ...

তেখেতৰ ভাষণে মহাবিদ্যালয়ৰ বৰ্ণিল পৰিক্ৰমা তথা সফলতাৰ খতিয়ান দাঙি ধৰে। পশু চিকিৎসা বিজ্ঞান অনুষদৰ শ্ৰেষ্ঠ স্নাতক হিচাপে সঞ্জনা জেপ্পানীক স্বৰ্ণ পদক আৰু স্মাৰক প্ৰদান কৰা হয়।

অনুষ্ঠানত মুখ্য অতিথি ৰূপে আসন শুৱনি কৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ নিৰঞ্জন কলিতাই মহাবিদ্যালয় খনৰ ৭৮ বছৰীয়া গৌৰোজ্জ্বল পৰিক্ৰমাৰ বিষয়ে সদৰি কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি ৰূপে বক্তব্য ৰাখে অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডঃ বীৰেন্দ্ৰ কুমাৰ শৰ্মাই। মুকলি সভাত মুখ্য অতিথি ৰূপে অংশ লৈ "উত্তৰ পূৰ্বাঞ্চলৰ জৈৱ বৈচিত্ৰ্যৰ বিশেষ উল্লেখসহ ভাৰতৰ জীৱ-জন্তুৰ জিনীয় সম্পদৰ ব্যৱস্থাপনা" শীৰ্ষক বিষয়ত তত্ত্বগধূৰ স্মাৰক বক্তৃতা প্ৰদান কৰে ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ অন্তৰ্গত NBAGR ৰ ভূতপূৰ্ব সঞ্চালক ডঃ বিষ্ণু প্ৰসাদ মিশ্ৰ দেৱে। তেখেতে বক্তব্যত উত্তৰ পূৰৰ চহকী তথা বাৱেৰহণীয়া জৈৱ বৈচিত্ৰতাৰ বিষয়ে আলোকপাত কৰি থলুৱা প্ৰজাতিৰ সংৰক্ষণৰ ওপৰত বিশেষ মন্তব্য ৰাখে।



'বিশ্ব জুন'ছিছ দিৱস' উপলক্ষে বিনামূলীয়া জলাতংক প্ৰতিৰোধী ছিটাকৰণ শিৰিৰ

যোৱা ৬ জুলাইত বিশ্ব জুন'ছিছ দিৱস (World Zoonoses Day) উপলক্ষে খানাপাৰাস্থিত অসম পশুচিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ Veterinary Clinical Complex নামৰ বিভাগটোৱে ভাৰত বিকাশ পৰিষদ, অসম প্ৰান্তৰ সহযোগত কুকুৰ আৰু মেকুৰীৰ বাবে এক বিনামূলীয়া জলাতংক প্ৰতিৰোধী ছিটাকৰণ কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত কৰি ২০০ টা কুকুৰ আৰু মেকুৰীক জলাতংক ৰোগৰ ছিটা প্ৰদান কৰে। বিশ্ব জুন'ছিছ দিৱসৰ মূল উদ্দেশ্য হৈছে পশু আৰু মানুহৰ স্বাস্থ্য সুৰক্ষাৰ বাবে সমাজত সজাগতা বৃদ্ধি কৰা। বিশ্ববিদ্যালয়ৰ উদ্যোগত এই কাৰ্যসূচীত পশুৰ পৰা মানুহলৈ সংক্ৰমিত হ'ব পৰা ৰোগ সম্পৰ্কে জনসচেতনতা সৃষ্টিৰ ওপৰত বিশেষ গুৰুত্ব দি নিয়মীয়াকৈ পোহনীয়া জীৱ-জন্তুক জলাতংকৰ প্ৰতিষেধক প্ৰদান কৰাৰ প্ৰয়োজনীয়তাৰ বিষয়ে বিষেশজ্ঞ ব্যক্তিসকলে আলোকপাত কৰে।

দৰঙৰ বুঢ়াত পাম সামগ্ৰী বিতৰণ তথা পশুপালক জাগৃতি সভা

পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, খানাপাৰাৰ অণুজীৱ বিজ্ঞান বিভাগৰ উদ্যোগত আৰু ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ চবকা ৰোগৰ মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ সহযোগত ৩০ আগষ্টত দৰং জিলাৰ বুঢ়াত মূৰব্বী অধ্যাপক ডঃ ৰাজীৱ কুমাৰ শৰ্মাৰ পৌৰোহিত্যত কৰি অন্যান্য বিশেষজ্ঞ সকলে গৱেষণালব্ধ অভিজ্ঞতাৰে বিজ্ঞান সন্মত পশুপালন, জৈৱ সুৰক্ষা, ৰোগ প্ৰতিৰোধকে ধৰি বিভিন্ন ক্ষেত্ৰ সাঙুৰি উপস্থিত পশুপালকক প্ৰশিক্ষণ তথা ব্যাৱহাৰিক জ্ঞান প্ৰদান কৰে।

মহিলা সবলীকৰণ তথা প্ৰতি



অনুষ্ঠিত পশু পামৰ সামগ্ৰী বিতৰণ তথা পশুপালক জাগৃতি সভাৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ প্ৰযুক্তি তথা বিভিন্ন ফচলক পশুপালকৰ বাবে আগুৰাই নিয়াৰ চেষ্টা কৰা হয়।

বুঢ়া হাইস্কুল প্ৰাংগণত অনুষ্ঠিত সজাগতা সভাত মুখ্য অতিথিৰূপে অংশ লয় অসম চৰকাৰৰ পশুপালন আৰু মীন বিভাগৰ মাননীয় মন্ত্ৰী নীলিমা দেৱী ডাঙৰীয়ানীয়ে। তেখেতে নিজৰ বক্তব্যত বিশ্ববিদ্যালয়ৰ এই পদক্ষেপক আদৰণি জনোৱাৰ লগতে গ্ৰাম্য অৰ্থনীতি টনকিয়াল কৰাৰ বাবে পশুপালন ক্ষেত্ৰত সংযুক্ত হ'বলৈ সকলোকে আহ্বান জনায়। উক্ত সভাত পশুপালকক উদ্দেশ্যি বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক ডঃ প্ৰবোধ বৰাকে প্ৰমুখ্য পৰিয়ালৰ আয় বৃদ্ধিৰ উদ্দেশ্যি উক্ত অনুষ্ঠানত ১৩৫ গৰাকী নিৰ্বাচিত উদ্যমী মহিলাৰ মাজত মুঠ ৪০০০ উন্নত জাতৰ 'কামৰূপা' কুকুৰা পোৱালি যোগান ধৰা হয়। তাৰ লগতে কুকুৰাৰ বাবে তাপ সহিষ্ণু ৰাণীখেত ৰোগৰ ছিটা বিতৰণ কৰা হয়। বিজ্ঞানসন্মত গাহৰি পালনৰ লক্ষ্যৰে পশ্চিম দৰং পশুপালক সংস্থাৰ জৰিয়তে গাহৰি পোৱালি উৎপাদন কেন্দ্ৰ স্থাপনৰ বাবে গড়াল নিৰ্মাণৰ লগতে ১০ জন জনজাতীয় কৃষকক মুঠ ২০ টা HDK-75 জাতৰ গাহৰি পোৱালিও যোগান ধৰা হয়। তদুপৰি, পেলুৰ দৰৱ, ভিটামিন আদিও বিতৰণ কৰা হয়। এনে অনুষ্ঠানে বিশ্ববিদ্যালয়ৰ গৱেষণাৰ ফচলক গাঁৱে-ভূঁৱেঃ কঢ়িয়াই লৈ যোৱাৰ ক্ষেত্ৰত সহায় কৰে।

১ পৃষ্ঠাৰ পৰা...

অসমত আইভিএফ...

গাখীৰৰ উৎপাদনশীলতা বৃদ্ধি কৰা আৰু অৱশেষত কৃষকসকলৰ উপাৰ্জন বৃদ্ধি কৰালৈকে সকলো সম্ভৱ হ'ব বুলি অসমৰ সন্মানীয় মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত দিয়া বাৰ্তাৰ জৰিয়তে উল্লেখ কৰে। তেখেতে মন্তব্য কৰে "এই ঐতিহাসিক সাফল্যৰ আঁৰত থকা সকলো পশু চিকিৎসা বিজ্ঞানী আৰু পেছাদাৰীসকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। তেওঁলোকৰ এই কাৰ্যই অসমৰ দুগ্ধ খণ্ডত এক নতুন যুগৰ সূচনা কৰাৰ পূৰ্ণ সম্ভাৱনা বহন কৰিছে।"

বিশ্ব পশু চিকিৎসা দিৱস, ২০২৬ পালন

২০২৬ চনৰ ২৫ এপ্ৰিল শণিবাৰে বিশ্ববিদ্যালয়ৰ অধীনৰ খানাপাৰা আৰু লক্ষীমপুৰস্থিত দুয়োখন পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ত বিশ্ব পশু চিকিৎসা দিৱস উৎযাপন কৰা হয়।

খানাপাৰাস্থিত মহাবিদ্যালয়ত বিজ্ঞানগুৰুৰ নেতৃত্বত কুকুৰ মেকুৰীৰ বাবে জলাতংক ৰোগৰ বিনামূলীয়া ছিটা প্ৰদান কৰাৰ লগতে খাদ্য, পেলুৰ ঔষধ, বিভিন্ন ভিটামিন আদিও বিতৰণ কৰা হয়। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত মুকলি সভাত অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ নিৰঞ্জন কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত মুখ্য অতিথিৰূপে Hindustan Lever limited ৰ অৱসৰপ্ৰাপ্ত মুখ্য চিকিৎসা বিষয়া তথা লিখক, পৰিৱেশ কৰ্মী ডাঃ ৰবীন্দ্ৰ নাথ মজুমদাৰ উপস্থিত থাকি এক স্বাস্থ্য ভূমিকাৰ জৰিয়তে খাদ্য সুৰক্ষা আৰু জনস্বাস্থ্য ৰক্ষাত পশু চিকিৎসকৰ অৱদানৰ বিষয়ে সদৰি কৰে। ২০২৬ বৰ্ষৰ বিশ্ব পশু চিকিৎসা দিৱসৰ মূল বিষয়বস্তু "পশুচিকিৎসক: খাদ্য আৰু স্বাস্থ্যৰ অভিভাৱক"ৰ ওপৰত বক্তব্য আগবঢ়ায় ৰাষ্ট্ৰীয় গাহৰি গবেষণা কেন্দ্ৰৰ পূৰ্বৰ সঞ্চালক ডঃ দিলীপ কুমাৰ শৰ্মা দেৱে। উক্ত অনুষ্ঠানত পশু চিকিৎসা ক্ষেত্ৰত অতুলনীয় সেৱাৰ চিনস্বৰূপে বিশিষ্ট পশু চিকিৎসক তথা পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত সহযোগী অধ্যাপক ডঃ ভৱেন চন্দ্ৰ বৈশ্য দেৱ আৰু মেঘালয়ৰ পশু চিকিৎসা বিভাগৰ জেষ্ঠ পশু চিকিৎসা বিষয়া ডাঃ হন্তাৰচন কাইল্লা দেৱক উৎকৃষ্ট পশু চিকিৎসক হিচাপে বঁটা প্ৰদান কৰা হয়।





লক্ষীমপুৰৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়তো ওলহ-মালহেৰে বিশ্ব পশু চিকিৎসা দিৱস উদযাপন কৰা হয়। বিভিন্ন অনুষ্ঠানৰ লগতে জীৱ-জন্তুৰ ছিটা প্ৰদানৰ কাৰ্যসূচী ৰূপায়ণ কৰে।

বিশ্ব পশু চিকিৎসা দিৱস

৪ পৃষ্ঠাত

অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ দ্বাৰা অনুষ্ঠিত কৰা অন্যান্য সম্প্রসাৰণ কার্যাৱলী

জড়িত বিভাগ সমূহ	সম্প্রসাৰণ কার্যাৱলী	তাৰিখ	অংশগ্রহণকাৰীৰ সংখ্যা
সম্প্রসাৰণ শিক্ষা সঞ্চালকালয় এ.ভি.এফ.ইউ.,খানাপাৰা	পশুপালকৰ বাবে দিহা আৰু বার্তা প্রেৰণ	এপ্রিল - আগষ্ট	১০০
	সজাগতা সভা: 'নশা মুক্ত যুৱ'- বিকশিত ভাৰত	১০ - ১২ আগষ্ট	৩০
	বিভিন্ন প্রতিষ্ঠানৰ দ্বাৰা আয়োজিত ৭টি প্রশিক্ষণত সমলব্যক্তি হিচাবে যোগদান	এপ্রিল - আগষ্ট	প্রায় 200
সর্বভাৰতীয় সমন্বিত ছাগলী গৱেষণা প্রকল্প (AICRP) গৱেষণা সঞ্চালকালয় এ.ভি.এফ.ইউ.,খানাপাৰা (ছাগলী গৱেষণাকেন্দ্রৰ সহযোগত)	মতা ছাগলী আৰু খাদ্য বিতৰণ শিবিৰ	৬ এপ্রিল, মেঘালয়	৪৩০
	এন্টাৰোটক্সেমিয়া প্রতিষেধক শিবিৰ, গৈৰমাৰী ফিল্ড ইউনিট	৩০ জুন, তামুলপুৰ	৬৩
	এন্টাৰোটক্সেমিয়া প্রতিষেধক আৰু চিকিৎসা শিবিৰ	৭ জুলাই, দৰং	১০৬
	এন্টাৰোটক্সেমিয়া প্রতিষেধক, ছাগলীৰ খাদ্য আৰু খনিজ মিশ্রণ বিতৰণ	১৪ আগষ্ট, টেপেচিয়া	৪৩
	এন্টাৰোটক্সেমিয়া প্রতিষেধক, ছাগলীৰ খাদ্য আৰু খনিজ মিশ্রণ বিতৰণ	১৭ আগষ্ট, মৰিগাঁও	৫৩
	এন্টাৰোটক্সেমিয়া প্রতিষেধক, ছাগলীৰ খাদ্য আৰু খনিজ মিশ্রণ বিতৰণ	১৯ আগষ্ট, টেতেলিয়া	৪৯
	খাদ্য বিতৰণ আৰু চিকিৎসা শিবিৰ	২০ আগষ্ট, টেতেলিয়া	৭৯
	খাদ্য বিতৰণ আৰু চিকিৎসা শিবিৰ	২১ আগষ্ট, নলবাৰী	৭০
	পি.পি.আৰ. প্রতিষেধক শিবিৰ আৰু খনিজ মিশ্রণ বিতৰণ	২৬ আগষ্ট, বাটাবাৰী	৮৫
	ছাগলীৰ খাদ্য বিতৰণ আৰু চিকিৎসা	২৭ আগষ্ট, গৈৰমাৰী	৬৬
পশু প্রজনন, স্ত্রীৰোগ আৰু প্রসূতি বিভাগ, পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয় এ.ভি.এফ.ইউ.,খানাপাৰা	বন্ধ্যাত্ব নিৰীক্ষণ আৰু চিকিৎসা শিবিৰ, কামৰূপ (মহানগৰ)	১ জুন, মাঁলৈবাৰী	২৫
	বন্ধ্যাত্ব নিৰীক্ষণ আৰু চিকিৎসা শিবিৰ, কামৰূপ (মহানগৰ)	২০ জুন, মাঁলৈবাৰী	১৮
	বন্ধ্যাত্ব নিৰীক্ষণ আৰু চিকিৎসা শিবিৰ, কামৰূপ জিলা	২২ জুন, মন্দাকাটা	৩০
	বন্ধ্যাত্ব নিৰীক্ষণ আৰু চিকিৎসা শিবিৰ, নলবাৰী	১ আগষ্ট, আৰাৰাগাঁৱ	২৬
	খাদ্য বিতৰণ শিবিৰ,বৰাজাৰা, নলবাৰী	৮ আগষ্ট, চান্দকুচি	৫০
শৰীৰতত্ত্ব বিভাগ (Physiology) ,পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয় এ.ভি.এফ.ইউ.,খানাপাৰা	গুৱাহাটী চাউথ ৰ'তাৰী ক্লাবৰ সহযোগত 'সাক্ষাৎকাৰৰ সন্মুখীন কেনেকৈ হ'ব' বিষয়ক সজাগতা সভা	৬ এপ্রিল, মহাবিদ্যালয় প্রেক্ষাগৃহ	২৫০
	'UNNATIAI 2.0 Roadshow' এফ.আই.টি.টি., আই.আই.টি. দিল্লী আৰু মাইক্রছফ্টৰ দ্বাৰা অসমত অনুষ্ঠিত ষ্টেট-আপ একিলেটৰ কার্যসূচী	১৩ আগষ্ট, আই.আই.টি., গুৱাহাটী	২
	ইনকিউবেচন কেন্দ্র/ ষ্টার্টআপ / উদ্যোগীতা আৰু প্লেচমেণ্টচেলৰ সহযোগত 'পিচ্চ-ষ্টার্টআপ আইডিয়া প্রতিযোগিতা'	২৫ আগষ্ট, মহাবিদ্যালয় চৌহদ	২০
পশুধন গৱেষণা কেন্দ্র, এ.ভি.এফ.ইউ, মন্দিৰা	বিশ্ব পৰিৱেশ দিৱস	৫ জুন	২৫
	সজাগতা সভা: 'নশা মুক্ত যুৱ' - বিকশিত ভাৰত	২ আগষ্ট	৩৫
লখিমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, এ.ভি.এফ.ইউ., জয়হিং, উত্তৰ লখিমপুৰ	সজাগতা সভা তথা 'এক পৃথিৱী, এক স্বাস্থ্য: জুন'টিক ৰোগ প্রতিৰোধ' শীৰ্ষক বিষয়বস্তুৰ ওপৰত বিশ্ব জুন'ছিছ দিৱস, উদযাপন	৬ জুলাই	৩৭
	শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বানপীড়িত অঞ্চলসমূহত পশু স্বাস্থ্য আৰু চিকিৎসা শিবিৰ	৩১ জুলাই - ০২ আগষ্ট	৩৫৪
	সজাগতা সভা: 'নশা মুক্ত যুৱ'- বিকশিত ভাৰত	২ আগষ্ট	২১৭
	ICAR-ভাৰতীয় কৃষি গৱেষণা প্রতিষ্ঠানৰ উদ্যোগত পশুধন আৰু দুগ্ধ উন্নয়ন সন্দর্ভত অনুষ্ঠিত অনুষ্ঠানত সমলব্যক্তি হিচাবে যোগদান	৫ আগষ্ট, ধেমাজি	২৫
	পশু চিকিৎসা তথা সজাগতা শিবিৰ	১৫ - ১৭ আগষ্ট, শিৱসাগৰ	৪১৩
সর্বভাৰতীয় সমন্বিত হাঁহ-কুকুৰা গৱেষণা প্রকল্প (AICRP), গৱেষণা সঞ্চালকালয় এ.ভি.এফ.ইউ.,খানাপাৰা	টিকাকৰণ তথা স্বাস্থ্য শিবিৰ	১১ মে'	৫০
	টিকাকৰণ তথা স্বাস্থ্য শিবিৰ	৩০ জুলাই	১৯০
	সজাগতা তথা সামগ্রী বিতৰণ কার্যসূচী	২০ আগষ্ট	২৫
	টিকাকৰণ তথা স্বাস্থ্য শিবিৰ	২ ছেপ্টেম্বৰ	১১০
	সজাগতা তথা সামগ্রী বিতৰণ কার্যসূচী	২ ছেপ্টেম্বৰ	৫০
গৱেষণা সঞ্চালকালয়	সমৃদ্ধি প'ল্ট্রীৰ অধীনত সজাগতা কার্যসূচী	২৮ আগষ্ট	৪৫
পশু প্রজনন আৰু অনুবংশীয় বিভাগ, পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয় এ.ভি.এফ.ইউ.,খানাপাৰা	ICAR-NBAGR, কর্ণালৰ দ্বাৰা অসমৰ থলুৱা ভেড়াৰ জাত "ASOMI"-ৰ পঞ্জীয়ন	১৮ আগষ্ট	Accession Number নম্বৰ INDIA_SHEEP_0200_ASOMI_14047
	বিভাগৰ অধ্যাপকৰ দ্বাৰা বিভিন্ন প্রতিষ্ঠানৰ দ্বাৰা আয়োজিত ৫ টি কার্যসূচীত সমলব্যক্তি হিচাবে যোগদান	এপ্রিল - জুলাই	৬৪৪
মীন মহাবিদ্যালয় এ.ভি.এফ.ইউ., ৰহা	মীন সংশাধন প্রযুক্তি বিভাগৰ অধ্যাপকৰ দ্বাৰা বিভিন্ন প্রতিষ্ঠানৰ দ্বাৰা আয়োজিত ৫ টি কার্যসূচীত সমলব্যক্তি হিচাবে যোগদান	এপ্রিল - জুলাই	প্রায় ১৫০
	মীন বিজ্ঞান মহাবিদ্যালয়ৰ প্রাক্তন ছাত্র-ছাত্রী সন্থাৰ সহযোগত বিদায় আৰু আদৰণি সভা 'From Alma Mater to Alumni Matter'	২৫ মে' মহাবিদ্যালয় চৌহদ	১২০
	'খেত বচাও অভিযান'ৰ অধীনত এদিনীয়া সজাগতা সভা	৫ জুন, লাওফুলাবৰী GP	৫৪
	'কঠিন সময়ত মানসিকভাৱে শক্তিশালী হৈ থকা' শীৰ্ষক এদিনীয়া প্রেৰণাদায়ক বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰে।	১৫ মে' মহাবিদ্যালয় প্রেক্ষাগৃহ	১২০
	বিশ্ব পৰিৱেশ দিৱস	৫ জুন	৭০
	'খেত বচাও অভিযান'ৰ অধীনত এদিনীয়া সজাগতা সভা	২২ জুন, আহাটগুৰি গাঁও	৩৬
	POSH আইন সম্পর্কীয় এক সজাগতা সভাৰ আয়োজন।	৯ জুলাই	১০০
	NFDB-NER (গুৱাহাটী)-ৰ সহযোগত মৰিগাঁও জিলাৰ ৰৱপুজিয়াত ৰাষ্ট্রীয় মীন পালক দিৱস সফলভাৱে উদযাপন।	১০ জুলাই	১৫০
	অসম ক্ষুদ্র উদ্যোগ উন্নয়ন নিগমৰ দ্বাৰা আয়োজিত আৰু জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্র, নগাঁওৰ দ্বাৰা ৰূপায়িত ৰাইজিং এণ্ড এক্সিলেৰেটিং এমএছএমই পাৰফৰমেন্স (RAMP) আঁচনিৰ অধীনত সজাগতা আৰু সক্ষমতা বিকাশ কর্মশালা	১৪ - ১৫ জুলাই	২০০
	বান সাহায্য প্রদান	৩০ জুলাই	৭০টা
	DDSW, I/c UG Academic Cell-ৰ সহযোগত দীক্ষাৰম্ভ কার্যসূচী	২০-২৭ আগষ্ট	৩৭





১ পৃষ্ঠাৰ পৰা...

পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ত...

গৱেষণা আৰু উদ্ভাৱনৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনাই আচার্যই বিশ্ববিদ্যালয় আৰু বিজ্ঞানীসকলক অনুৰোধ জনায় যাতে প্রযুক্তিগত অগ্রগতিসমূহ গাঁৱে-ভূঞেঁ বিয়পি পৰে আৰু কৃষকসকলৰ জীৱিকাৰ পোনপটীয়া উন্নতি সাধন কৰে। তেওঁ আস্থা প্রকাশ কৰে যে এই সন্মিলনে উত্তৰ-পূব জুৰি সহযোগিতা, উদ্ভাৱন আৰু বহনক্ষম পশুধন উন্নয়নক উৎসাহিত কৰিব।

উক্ত অধিবেশনত অংশ গ্রহণ কৰি ভাৰতীয় কৃষি গৱেষণা পৰিষদৰ, শিক্ষা উপ-মহা সঞ্চালক ড° যশপাল সিং মালিকে তেখেতৰ বহুমূলীয়া ভাষণত সংবাদ (information), সংযোগ (communication) আৰু সহযোগৰ (coordination) ওপৰত গুৰুত্ব আৰোপ কৰে আৰু এই নীতিয়েহে যিকোনো অনুষ্ঠান এটি আগুৱাই যোৱাত মুখ্য ভুমিকা গ্রহণ কৰে বুলি উল্লেখ কৰে।

১ পৃষ্ঠাৰ পৰা...

...উজনিৰ বানপীড়িতলৈ সহায়

মীন বিজ্ঞান মহাবিদ্যালয় (FFSc), ৰহাই ইয়াৰ NSS গোটৰ সৈতে মিলি ৩০ জুলাই, ২০২৬ তাৰিখে শিৱসাগৰ জিলাৰ গৌৰীসাগৰৰ দিখৌমুখ গাঁও পঞ্চায়তৰ অন্তর্গত মেজৰবৰী, জেইলগাঁও, লংচাই পথাৰ আৰু বানমুখৰ আক্রান্ত পৰিয়ালসমূহৰ বাবে বান সাহায্য কার্যসূচী ৰূপায়ন কৰিছিল। ২ আগষ্ট, ২০২৬ তাৰিখে পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খনাপাৰাৰ শিক্ষক, কর্মচাৰী আৰু ছাত্র সন্থাই পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সহযোগত মাননীয় উপাচার্য ড° নিৰঞ্জন কলিতাৰ উপস্থিতিত যোৰহাট জিলাৰ এলেংমৰা অঞ্চলত পশুধনৰ খাদ্য, ঔষধ, খোৱা পানী, ঘাঁহ, বীজাণুনাশক আদি বিতৰণ কৰে।

দুর্যোগৰ সময়ত কৃষক আৰু নাগৰিক সমাজৰ কাষত থিয় দি বিশ্ববিদ্যালয়ে প্রতিশ্রুতি, উচর্গা আৰু অধ্যৱসায়ৰ চানেকি প্রদর্শন কৰে।

অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ বিভিন্ন বিভাগৰ দ্বাৰা হোৱা প্ৰশিক্ষণৰ বিৱৰণ

জড়িত বিভাগ সমূহ	প্ৰশিক্ষণৰ বিষয়	তাৰিখ	অংশগ্ৰহণকাৰীৰ সংখ্যা
সম্প্রসাৰণ শিক্ষা সঞ্চালকালয় এ.ভি.এফ.ইউ.,খানাপাৰা	বৈজ্ঞানিক পদ্ধতিৰে দুগ্ধপালন ব্যৱস্থাপনা (পশুপালকৰ বাবে)	৯ - ১১ ফেব্রুৱাৰী	৩০
		১৭ - ১৯ ফেব্রুৱাৰী	৩০
	বৈজ্ঞানিক পদ্ধতিৰে দুগ্ধপালন ব্যৱস্থাপনা (পশুপালকৰ বাবে)	১০ - ১২ আগষ্ট	৩০
	পশুধনৰ বিভিন্ন ৰোগ নিৰ্ণয়, তেজ, গোবৰ, প্ৰস্ৰাৱ আদিৰ নমুনা সংগ্ৰহ আৰু প্ৰয়োজনীয় যন্ত্ৰপাতিৰ ব্যৱহাৰ বিষয়ক প্ৰশিক্ষণ (Para-extension workers সকলৰবাবে)	৩ - ৬ ফেব্রুৱাৰী	৪০
	গাহৰিপাম পৰিচালনা আৰু মূল্য সংযোজন বিষয়ক কৌশলগত প্ৰশিক্ষণ	১১ - ১৫ মে'	৩০
ছাগলী গৱেষণা কেন্দ্ৰ, বৰ্নিহাট	বৈজ্ঞানিক পদ্ধতিৰে ছাগলী পালনৰ প্ৰশিক্ষণ	৪ জুলাই	২৫
পশুধন গৱেষণা কেন্দ্ৰ, মন্দিৰা	B.V.Sc আৰু A.H ছাত্ৰ-ছাত্ৰীৰ বাবে, ইণ্টাৰ্ণশ্বিপ	১ -৩০ এপ্ৰিল	৬০
পশু প্ৰজনন, স্ত্ৰীৰোগ আৰু প্ৰসূতি বিভাগ, পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয়, খানাপাৰা	খাদ্য আৰু ঘাঁহ সংৰক্ষণ তথা চাইলেজ প্ৰস্তুতি আৰু খাদ্য বিতৰণ	৮ আগষ্ট	৫০
	OPU-IVEP&ET ৰ ওপৰত কৌশলগত প্ৰশিক্ষণ	জুলাই	৯
লখিমপুৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, এ.ভি.এফ.ইউ., জয়হিং, উত্তৰ লখিমপুৰ	কীটতত্ত্ব বিষয়ক অধ্যয়নৰ অনুবীক্ষণিক আৰু আণৱিক কৌশলৰ ওপৰত দুদিনীয়া হাতে-কামে প্ৰশিক্ষণ	৫ - ৬ জুন	৩৩
	ডিআইচিচি, লক্ষীমপুৰত CMAAA 2.0-ৰ উদ্যোমিতা বিকাশ প্ৰশিক্ষণ	১৪ জুলাই	৩০
	ডিআইচিচি, লক্ষীমপুৰত CMAAA 2.0-ৰ উদ্যোমিতা বিকাশ প্ৰশিক্ষণ	১৮ জুলাই	৩০
	ডিআইচিচি, লক্ষীমপুৰত CMAAA 2.0-ৰ উদ্যোমিতা বিকাশ প্ৰশিক্ষণ	২৩ জুলাই	৩০
	ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP) ২০২০ অনুসৰি FYUGP/FYIPGP-ৰ অধীনত ১৫ দিনীয়া (১২০ ঘণ্টীয়া) ইণ্টাৰ্ণশ্বিপ	১৪ - ৩১ জুলাই	১৩
	মিচিং স্বায়ত্তশাসিত পৰিষদৰ কৃষকসকলৰ বাবে বৈজ্ঞানিক দুগ্ধ পশুপালন আৰু পশুধনৰ ওপৰত প্ৰশিক্ষণ।	৩ - ৪ আগষ্ট	৩০
	মিচিং স্বায়ত্তশাসিত পৰিষদৰ অধীনৰ কৃষকসকলৰ বাবে বৈজ্ঞানিক পশুধন আৰু কুকুৰা পালন পদ্ধতি-১ৰ ওপৰত প্ৰশিক্ষণ।	৬ - ৮ আগষ্ট	৩০
	মিচিং স্বায়ত্তশাসিত পৰিষদৰ অধীনৰ কৃষকসকলৰ বাবে বৈজ্ঞানিক পশুধন আৰু কুকুৰা পালন পদ্ধতি-২ৰ ওপৰত প্ৰশিক্ষণ।	১০ - ১২ আগষ্ট	৩০
	মিচিং স্বায়ত্তশাসিত পৰিষদৰ অধীনৰ কৃষকসকলৰ বাবে বৈজ্ঞানিক পশুধন আৰু কুকুৰা পালন পদ্ধতি-৩ ৰ ওপৰত প্ৰশিক্ষণ।	১৭ - ১৯ আগষ্ট	৩০
	মিচিং স্বায়ত্তশাসিত পৰিষদৰ অধীনৰ কৃষকসকলৰ বাবে বৈজ্ঞানিক পশুধন আৰু কুকুৰা পালন পদ্ধতি-৪ ৰ ওপৰত প্ৰশিক্ষণ।	২০ - ২২ আগষ্ট	৩০
সৰ্বভাৰতীয় সমন্বিত হাঁহ-কুকুৰা গৱেষণা প্ৰকল্প (AICRP), গৱেষণা সঞ্চালকালয় এ.ভি.এফ.ইউ.,খানাপাৰা	সামৰ্থ্য বিকাশ তথা দক্ষতা উন্নয়ন প্ৰশিক্ষণ	১৩ মে'	২৫
	সামৰ্থ্য বিকাশ তথা দক্ষতা উন্নয়ন প্ৰশিক্ষণ	১৩ - ১৫ জুলাই	৩০
সৰ্বভাৰতীয় সমন্বিত গাহৰি গৱেষণা প্ৰকল্প (AICRP), গৱেষণা সঞ্চালকালয় এ.ভি.এফ.ইউ.,খানাপাৰা	অনুসূচিত জাতিৰ কৃষকসকলৰ বাবে "লিংগ-অনুকূল গাহৰি পালন"	২১ আগষ্ট	৩০
পশু জৈৱ-প্ৰযুক্তি বিভাগ, পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়, এ.ভি.এফ.ইউ.,খানাপাৰা	DHR-ICMR-ৰ পৃষ্ঠপোষকতাত ৰূপায়িত "এক স্বাস্থ্য (One Health) উদ্যোগৰ অধীনত জুন'টিক ৰোগৰ ক্ষেত্ৰত দক্ষ মানৱ সম্পদৰ সামৰ্থ্য বৃদ্ধি আৰু বিকাশ" সহযোগত "সংক্ৰামক ৰোগৰ ৰোগকাৰক জীৱাণু চিনাক্তকৰণৰ বাবে আণৱিক ৰোগ-নিৰ্ণয় কৌশল" শীৰ্ষক ব্যৱহাৰিক প্ৰশিক্ষণ	২৩ জুন - ২২ জুলাই	২৫
	DHR-ICMR-ৰ পৃষ্ঠপোষকতাত "সংক্ৰামক ৰোগৰ গৱেষণাৰ বাবে উন্নত জৈৱ-তথ্যবিজ্ঞান প্ৰশিক্ষণ" শীৰ্ষক তিনি মাহজোৰা ব্যৱহাৰিক প্ৰশিক্ষণ	১ জুলাই - ৩০ ছেপ্টেম্বৰ	৮৩ (অনলাইন) ২৫ (অফলাইন)
মীন মহাবিদ্যালয় এ.ভি.এফ.ইউ., ৰহা	মীন সংশাধন প্ৰযুক্তি বিভাগৰ দ্বাৰা নাগালেণ্ড বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে গ্ৰীষ্মকালীন ইণ্টাৰ্ণশ্বিপ	১৭ জুন - ১ জুলাই	৫ গৰাকী ছাত্ৰ-ছাত্ৰী
	মীন সংশাধন প্ৰযুক্তি আৰু মীন অভিযান্ত্ৰিকী বিভাগৰ দ্বাৰা ডঃ শ্যামা প্ৰসাদ মুখাৰ্জী বিশ্ববিদ্যালয়, ৰাঁচীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে গ্ৰীষ্মকালীন ইণ্টাৰ্ণশ্বিপ	৮ জুলাই - ৭ আগষ্ট	৪ গৰাকী ছাত্ৰ-ছাত্ৰী
	মীন অভিযান্ত্ৰিকী বিভাগৰ দ্বাৰা নাগালেণ্ড বিশ্ববিদ্যালয়, লুমামিৰ স্নাতকোত্তৰ ছাত্ৰ-ছাত্ৰী সকলৰ বাবে ১৪ দিনীয়া গ্ৰীষ্মকালীন ইণ্টাৰ্ণশ্বিপ	২২ জুন - ৫ জুলাই	৫
	দক্ষতাৰ জৰিয়তে আত্মনিৰ্ভৰতা: জনজাতীয় যুৱক-যুৱতীৰ বাবে ৪৫ দিনীয়া আৱাসিক প্ৰশিক্ষণ	৪ আগষ্ট – ১৭ ছেপ্টেম্বৰ	৩২





২ পৃষ্ঠাৰ পৰা...

বিশ্ব পশু চিকিৎসা দিৱস...

(World Veterinary Day) কামৰূপ জিলাৰ খেত্ৰীত পশুপালন আৰু পশু চিকিৎসা সেৱা সংস্থাৰ উদ্যোগত আৰু অসম পশু চিকিৎসা পৰিষদৰ সহযোগত কেন্দ্ৰীয়ভাৱে উদযাপন কৰা হয়। উক্ত অনুষ্ঠানত অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্যই মুখ্য অতিথি হিচাপে উপস্থিত থাকে আৰু বিশ্ববিদ্যালয়ৰ গৱেষণা সঞ্চালক সন্মানীয় অতিথি (Guest of Honour) হিচাপে উপস্থিত থাকে।

অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ ভাৰপ্ৰাপ্ত সম্প্রসাৰণ শিক্ষা সঞ্চালক ডঃ হিৰণ্য কুমাৰ ভট্টাচাৰ্য্যই উক্ত অনুষ্ঠানত সমল ব্যক্তি (Resource Person) হিচাপে অংশগ্ৰহণ কৰি বিশ্ব পশু চিকিৎসা দিৱসৰ এই বছৰৰ বিষয়বস্তু (Theme)-ৰ ওপৰত বক্তব্য প্ৰদান কৰে।

পশুধনৰ ওপৰত উচ্চ তাপমাত্ৰাৰ প্ৰভাৱ

অস্বাভাৱিক উচ্চ তাপমাত্ৰা আৰু গৰমৰ টোৰ ফলত পশুধন, হাঁহ-কুকুৰাৰ বৃদ্ধি আৰু উৎপাদন ব্যাহত হয়। ওজন বৃদ্ধি ধীৰ হয়, উৎপাদন হ্ৰাস পায়, মৃত্যুৰ হাৰ বৃদ্ধি পায় আৰু আৰ্থিক ক্ষতি হয়। বিশেষকৈ কুকুৰা আৰু গাহৰি উচ্চ তাপমাত্ৰা আৰু অধিক আৰ্দ্ৰতাৰ প্ৰতি সংবেদনশীল। মাছ আৰু অন্যান্য জলজ প্ৰাণীৰ ক্ষেত্ৰত অধিক তাপমাত্ৰাই প্ৰজনন ক্ষমতা হ্ৰাস কৰাৰ লগতে মৃত্যুৰ কাৰণ হ'ব পাৰে।

Heat Stressত ভোগা জীৱ-জন্তুৰ দ্ৰুত শ্বাস-প্ৰশ্বাস, মুখেৰে অতিমাত্ৰা ফেন ওলোৱা, নিৰ্জলীকৰণ, অৱসাদ আৰু শৰীৰৰ তাপমাত্ৰা বৃদ্ধি আদি লক্ষণ দেখা যায়। সেয়ে নিয়মীয়া পৰ্যবেক্ষণ অতি প্ৰয়োজনীয়।

Heat Stressৰ পৰা সুৰক্ষাৰ বাবে পশুসমূহক ছাঁযুক্ত ঠাইত ৰখা, গৰম সময়ত গোহালি বা ছাঁত ৰখা, গোহালিত পানী ছটিয়াই শীতল পৰিৱেশ সৃষ্টি কৰা আৰু পৰ্যাপ্ত পৰিষ্কাৰ খোৱাপানীৰ যোগান নিশ্চিত কৰা আৱশ্যক। প্ৰয়োজন অনুসৰি পশু চিকিৎসক বা অভিজ্ঞ ব্যক্তিৰ পৰামৰ্শ লোৱা উচিত।